**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদন বহু লোকে ভালদৰে অধ্যয়ন নকৰাৰ বাবেই ভুল বুজাবুজিৰ সৃষ্টি হৈছে। আজি সন্ধিয়া দিছপুৰত অনুষ্ঠিত মন্ত্ৰীগোটৰ বৈঠকত এই সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে মন্ত্ৰীগোটে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ পথ প্ৰশস্ত কৰাৰ লগতে বৰ্তমানে থকা জনজাতি লোকসকলৰ কোনো ক্ষতি নকৰাকৈ প্ৰতিবেদন দাখিল কৰিছে। তেওঁ কয় যে ৰাজ্যৰ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে ৰাজ্য চৰকাৰ আলোচনাত বহিব। মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাৰ সৈতে আলোচনাৰ বাবে সমন্বয়ৰক্ষী সমিতিক আমন্ত্ৰণ জনাবলৈ কেবিনেটত সিদ্ধান্ত লোৱা হয়। প্ৰয়োজন সাপেক্ষে মুখ্যমন্ত্ৰীগৰাকী নিজেও জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। মন্ত্ৰীগোটৰ বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত অৱস্থাত কৰ্মচাৰীৰ মৃত্যু হ'লে পূৰ্বৰ এককালীন সাহায্য ৫ লাখ টকাৰ পৰা চাৰে ৭ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে ৰাজ্যত নতুনকৈ স্থাপন কৰা পাঁচখন মিনি আই টি আই ক্ৰমে দুধনৈ, পাঠশালা, ৰঙিয়া, বিশ্বনাথ চৰিআলি আৰু তিতাবৰত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহা প্ৰায় ৩৫ শতাংশ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি প্ৰতিবছৰে এওঁলোকৰ দৰমহা ৬ শতাংশ বৃদ্ধি কৰাৰো মন্ত্ৰীগোটে সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, অহা ১০ ডিচেম্বৰত গুৱাহাটীত ছহিদ স্মাৰক উদ্বোধন কৰা হ'ব বুলিও সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

০০০০

অহা ৩ ডিচেম্বৰত অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সেইদিনা দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। ইপিনে, চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ কলৌলোৱা দেউৰী গাঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি ৭৮ সংখ্যক জননেতা ভীমবৰ দেউৰী দিৱস পালন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শিক্ষাবিদ ড০ উপেন ৰাভা হাকাচামকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী বিমল বৰাই তেওঁৰ ভাষণত অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ সৰ্বাঙ্গীন উন্নয়নৰ ক্ষেত্ৰত ভীমবৰ দেউৰীৰ অগ্ৰণী ভূমিকাৰ বিষয়ে উল্লেখ কৰে।

**ৰাইট**

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ আজি প্ৰথমখন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাঁচীত অনুষ্ঠিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৪৯ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে সৰ্বাধিক ১৩৫ ৰাণ কৰে। কে এল ৰাহুলে ৬০ আৰু ৰোহিত শৰ্মাই ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। বাতৰি যুগুতোৱাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাই ৪৪ অভাৰত ৮টা উইকেট হেৰুৱাই ৩০০ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০০

ছিপাঝাৰ সাতখলি গ্ৰাম্য ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ৩৯ সংখ্যক দিবা-নৈশ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত কটহগুৰি মিলন সংঘই চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত উচৰ্গিত প্ৰতিযোগিতাখনৰ কালি নিশা অনুষ্ঠিত ফাইনেলত কটহগুৰি মিলন সংঘই আব্দুল ফুটবল ক্লাবক ৬-১ গ'লত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে।

০০০০০০

**ঃঃ সমাপ্ত ঃঃ**